# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 21-05-2025
**Time :** 1910 hrs

ASSAMESE EVENING BULLETIN

**HEADLINES**

১। ভাৰতে পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে আগ্ৰাসী গোলকীয় অভিযান আৰম্ভ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত নতুনকৈ বিকাশাই তোলা ১০৩ টা ষ্টেচন মুকলি কৰিব।

৩। কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে।

৪। চত্তিশগড়ৰ নাৰায়ণপুৰ জিলাত সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ২৭ জন নক্সালবাদী নিহত হৈছে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত মুম্বাইত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ভাৰতে পাকিস্তানৰ পৃষ্ঠপোষকতাপ্ৰাপ্ত সন্ত্ৰাসবাদৰ স্বৰূপ উদঙাই দিয়াৰ উদ্দেশ্যে আগ্ৰাসী গোলকীয় অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অধীনত আজি দুটা সৰ্বদলীয় প্ৰতিনিধি দল ৯ খন দেশৰ ভ্ৰমণসূচীৰে ৰাওনা হৈছে। অপাৰেশ্বন সিন্দূৰ বিষয়ক কূটনৈতিক প্ৰয়াসৰ অংশ হিচাপে জে ডি ইউ সাংসদ সঞ্জয় কুমাৰ ঝা নেতৃত্বাধীন এটা সৰ্বদলীয় প্ৰতিনিধি দলে ইণ্ডোনেছিয়া, মালয়েছিয়া, দক্ষিণ কোৰিয়া, জাপান আৰু ছিংগাপুৰলৈ আৰু শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দেৰ নেতৃত্বত আন এটা দলে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ-ইউ এ ই, লাইবেৰিয়া, কংগো, আৰু ছিয়েৰা লিঅ'নলৈ যাত্ৰা কৰিছে। ভ্ৰমণকালত দল দুটাই সকলো ধৰণৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে নতুন দিল্লীৰ সংকল্পৰ বিষয়ে দেশ কেইখনক অৱগত কৰিব।

ৰাওনা হোৱাৰ পূৰ্বে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শ্ৰীঝাই আজি কয়, যে সন্ত্ৰাসবাদ পাকিস্তানৰ ৰাষ্ট্ৰ নীতিৰ অংশ আৰু তেওঁলোকে ইছলামাবাদ মহলে কিদৰে সন্ত্ৰাসবাদৰ পৃষ্ঠপোষকতা কৰি আহিছে সেই বিষয়ে বিশ্বক অৱগত কৰিব। আমাৰ সংবাদদাতাই জনাইছে যে পাকিস্তানৰ কু-অভিসন্ধি আৰু ভাৰতৰ সফল সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ বিষয়ে আন্তৰাষ্ট্ৰীয় মহলক জনোৱাৰ উদ্দেশ্যে অলপতে ৭ টা সৰ্বদলীয় প্ৰতিনিধি দল গঠন কৰা হৈছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ বিকানেৰৰ পৰা অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনত ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ নতুনকৈ বিকাশাই তোলা ১০৩ টা ষ্টেচন মুকলি কৰিব। এই অমৃত ভাৰত ষ্টেছনসমূহত দুয়োফালৰ পৰা যাত্ৰী প্ৰৱেশৰ সুবিধা, যাত্ৰীৰ বাবে পদসেঁতু, দিব্যাংগৰ বাবে উপযোগী সা-সুবিধা,

বিনামুলীয়া ৱাই ফাইৰ সুবিধাৰ লগতে ষ্টেছনসমূহত শ্বপিংমল আৰু ইণ্টাৰনেট কেফেৰ সুবিধা থাকিব। তদুপৰি নতুনকৈ নিৰ্মাণ কৰা ষ্টেছনসমূহত স্থানীয় সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বিভিন্ন প্ৰতিকৃতি আৰু আলোকচিত্ৰৰ সমাহাৰ ঘটিব।

প্ৰধানমন্ত্ৰীয়ে লগতে কাইলৈ ২৬ হাজাৰ কোটিৰো অধিক টকাৰ কেইবাটাও উন্নয়ন প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এই প্ৰকল্পৰসমূহৰ ভিতৰত ৰে'ল, পথ, শক্তি, জল আৰু নৱীকৰণযোগ্য শক্তিখণ্ডৰ প্ৰকল্প আছে। শ্ৰীমোদীয়ে ভাৰতীয় ৰে'লৱেৰ আন্তগাথনিৰ দিশৰ পৰা কাইলৈৰ দিনটো ঐতিহাসিক হব বুলি মন্তব্য কৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কয় যে অমৃত ষ্টেছনসমূহে সুবিধা আৰু যোগাযোগ ব্যৱস্থাৰ প্ৰসাৰত অৰিহণা যোগাব আৰু দেশৰ গৌৰৱময় সংস্কৃতি তুলি ধৰিব।

ooooo

ভাৰতীয় সাহিত্যিক তথা কানাড়া ভাষাৰ গল্পকাৰ বানু মোস্তাকলৈ এই বছৰৰ সন্মানীয় বুকাৰ বঁটা আগবঢ়োৱা হৈছে। গল্পকাৰগৰাকীৰ কানাড়া ভাষাৰ গল্প সংকলনৰ ইংৰাজী অনুবাদ হাৰ্ট লেম্পলৈ এই বঁটা আগবঢ়োৱা হৈছে। কন্নড় গল্প সংকলনখন ইংৰাজীলৈ অনুবাদ কৰা দীপা বস্তিকো বিশিষ্ট গল্পকাৰগৰাকীৰ সৈতে এই বঁটা আগবঢ়োৱা হৈছে। উল্লেখযোগ্য যে বানু মোস্তাক এই বঁটা লাভ কৰা প্ৰথমগৰাকীৰ কন্নড় সাহিত্যিক হিচাপে পৰিগণিত হৈছে। কালি লণ্ডনত আয়োজিত অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। ১২টা গল্পৰ সংকলনখনত গল্পকাৰগৰাকীয়ে বিগত ৩০ বছৰত ৰচনা কৰা গল্পসমূহ সন্নিৱিষ্ট কৰা হৈছে। কৰ্ণাটকৰ ইছলাম ধৰ্মাৱলম্বী মহিলাৰ জীৱনশৈলীক উপজীব্য হিচাপে লৈ সৰহ সংখ্যক গল্প ৰচনা কৰা হৈছে।

ooooo

চত্তিশগড়ৰ নাৰায়ণপুৰ জিলাৰ অবুঝমাড় এলেকাত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত এজন শীৰ্ষনেতা সহ মুঠ ২৭ জন নক্সালবাদী নিহত হয়। এই সংঘৰ্ষত সুৰক্ষা বাহিনীৰ এজন জোৱান শ্বহিদ হয়।

অবুঝমাড় এলেকাত নক্সালবাদীৰ শীৰ্ষ নেতাসহ ভালেসংখ্যক মাওবাদী আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত নাৰায়ণপুৰ, দান্তেৱাড়া, বিজাপুৰ আৰু কোন্দাগাওঁ জিলা সংৰক্ষিত আৰক্ষী বাহিনীৰ এটা দলে দুদিন পূৰ্বে অঞ্চলটোত যুটীয়া অভিযান আৰম্ভ কৰিছে। নক্সালবাদী আৰু সুৰক্ষা বাহিনীৰ মাজত আজি পুৱাৰে পৰা সংঘৰ্ষ চলি আছে। সংঘৰ্ষস্থলীৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ শস্ত্ৰ উদ্ধাৰ কৰা হৈছে বুলি জানিব পৰা গৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চত্তিশগড়ত মাওবাদী বিৰোধী অভিযানে লাভ কৰা অভূতপূৰ্ব সাফল্যক লৈ গৌৰ প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে আজি সামাজিক মাধ্যমযোগে কয় যে মাওবাদৰ বিভিষিকা মষিমুৰ কৰিবলৈ আৰু দেশৰ জনসাধাৰণৰ বাবে শান্পিূৰ্ণ জীৱন আৰু প্ৰগতি সুনিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এই অভিযানক, নক্সালবাদক পুলিয়ে পোখায়ে উৎখাত কৰাৰ বাবে চলোৱা যুজত ঐতিহাসিক সাফল্য বুলি অভিহিত কৰিছে। শ্ৰীশ্বাহে সামাজিক মাধ্যমযোগে আজি কয় যে নাৰায়ণপুৰত চলোৱা অভিযানত সুৰক্ষা বাহিনীয়ে নম্বালা কেশৱ ৰাও ওৰফে বসৱৰাজু সহ ২৭ জনকৈ দুধৰ্ষ মাওবাদীক নিধন কৰিছে। কেশৱ চিপিআই মাওবাদীৰ সাধাৰণ সম্পাদক, শীৰ্ষ নেতা আৰু নক্সাল আন্দোলনৰ ৰাজহাড় আছিল। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে দেশত নক্সালবাদ বিৰোধী যুজত বিগত ৩ দশকত প্ৰথমবাৰৰ বাবে সুৰক্ষা বাহিনীৰ হাতত সাধাৰণ সম্পাদক পৰ্যায়ৰ নেতা নিহত হৈছে। তেওঁ লগতে এই সফলতাৰ বাবে সুৰক্ষা বাহিনী আৰু সংস্থাসমূহক ভূয়সী প্ৰশংসা কৰে। শ্ৰীশ্বাহে কয়, যে অপাৰেশ্বন ব্লেক ফৰেষ্ট সম্পূৰ্ণ হোৱাৰ পাছত চত্তিশগড়,

তেলেংগানা, আৰু মহাৰাষ্ট্ৰত ৫৪ জন নক্সালবাদীক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ৮৪ জনে আত্মসমৰ্পন কৰিছে। ২০২৬ চনৰ মাৰ্চৰ ভিতৰত নক্সালবাদক মষিমুৰ কৰাৰ বাবে মোদী চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে।

০০০০০

উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ যশৱন্ত বাৰ্মাৰ নতুন দিল্লীৰ চৰকাৰী বাসগৃহৰ পৰা নগদ ধন উদ্ধাৰ হোৱা বুলি উঠা অভিযোগ সন্দৰ্ভত এজাহাৰ দাখিল কৰাৰ বাবে অনুৰোধ জনাই দাখিল কৰা আবেদন সন্দৰ্ভত শুনানি গ্ৰহণ কৰিবলৈ উচ্চতম ন্যায়ালয়ে আজি অস্বীকাৰ কৰে।

ন্যায়াধীশ অভয় এছ. ওকা আৰু উজ্বল ভূ এগ্ৰাক লৈ গঠিত এখন বিচাৰপীঠে আবেধনখন খাৰিজ কৰি কয় যে মুখ্য ন্যায়াধীশে তদন্ত প্ৰতিবেদন আৰু ন্যায়াধীশ বাৰ্মাৰ উত্তৰ ইতিমধ্যে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে। ন্যায়ালয়ে কয় যে, আবেদনকাৰীয়ে প্ৰথমে সংশ্লিষ্ট বিষয়াৰ সৈতে যোগাযোগ কৰা উচিত।

০০০০০

এইবেলি দক্ষিণ পশ্চিম মৌচুমী বতাহজাকৰ সময়ৰ পূৰ্বে আগমন ঘটিব পাৰে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ৩-৪ দিনৰ ভিতৰত বতাহজাকে কেৰালাত প্ৰৱেশ কৰিব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে কৈছে যে, কেৰালাত বতাহজাকৰ আগমনৰ বাবে অনুকুল বাতাবৰণ গঢ়ি উঠিছে। আকাশবাণীৰ সৈতে হোৱা আচুতিয়া কথা বতৰাত ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ বিজ্ঞানী নৰেশ কুমাৰে কয় যে দক্ষিণ পশ্চিম মৌচুমী বতাহজাকে পৰৱৰ্তী ৩-৪ দিনৰ ভিতৰত কেৰালাত প্ৰৱেশ কৰা আৰু ইয়াৰ পাছতে পশ্চিমবংগ আৰু উত্তৰ-পূৰ্বাঞ্চলত ঠাই বিশেষলৈ অগ্ৰসৰ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত মুম্বাইত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ, দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অ'ভাৰ আৰু এটা বলত চাৰিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

০০০০০

ইউক্ৰেইনৰ চুমি সীমান্ত অঞ্চলত চলি থকা প্ৰশিক্ষণ অনুশীলন ৰাছিয়াৰ ক্ষেপনাস্ত্ৰ আক্ৰমণত ইউক্ৰেইনৰ ছজন সেনা নিহত হোৱাৰ লগতে ১০ জন আহত হোৱা বুলি ইউক্ৰেইনৰ প্ৰতিৰক্ষা বাহিনীৰ বাবে বৃহৎ বাধা হিচাপে থিয় দিছে।

ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে ইয়াৰ পূৰ্বে এটা প্ৰশিক্ষণ শিবিৰত ইস্কাণ্ডাৰে ক্ষেপনাস্ত্ৰ আক্ৰমণ কৰা বুলি এটা ভিডিঅ'ত প্ৰকাশ কৰিছিল য'ত প্ৰায় ৭০ জন লোকৰ মৃত্যু হৈছিল বুলি কোৱা হৈছে। উল্লেখযোগ্য যে চুমি অঞ্চলত বাৰে বাৰে বোমাবৰ্ষণ কৰা হৈছে আুৰ ইউক্ৰেইনে চুমি সীমান্ত অঞ্চলৰ পৰা ৰাচিয়াৰ চুবুৰীয়া কুৰ্স্ক অঞ্চলৰ এটা অংশ কেইবামাহো ধৰি দখল কৰি আছে।

০০০০০

সমাপ্ত